সপ্তম খণ্ড

# নীতিবিদ্যা
# (Ethics)

এই পাঠটো অধ্যয়ন কৰি তোমালোকে —

- নৈতিক জীৱন যাপনৰ প্ৰেৰণা পাবা।
- নৈতিক সচেতনা বৃদ্ধি হোৱাৰ লগে লগে নিজৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলৈ সক্ষম হ'বা।
- জীৱনৰ পৰমাৰ্থ কি উপলব্ধি কৰিব পাৰিবা?
- কিছুমান নতুন শব্দৰ যেনে— 'Ethica', 'Ethos', 'Moral', 'Mores' অৰ্থ জানিব পাৰিবা।
- নৈতিক বিচাৰ ক্ষমতা বৃদ্ধি কৰি নিজৰ লগতে আনৰ কামৰো ভাল-বেয়া, উচিত-অনুচিত বিচাৰ কৰিব পাৰিবা।
- পুৰুষাৰ্থৰ প্ৰকৃত অৰ্থ আৰু মানৱ জীৱনত ইয়াৰ প্ৰভাৱৰ বিষয়েও জানিব পাৰিবা।

**বিষয়বস্তু**

- ভূমিকা
- নীতিবিদ্যাৰ সংজ্ঞা
- নীতিবিদ্যাৰ স্বৰূপ বা প্ৰকৃতি ঃ
  (ক) নীতিবিদ্যা এক আদৰ্শাত্মক বিজ্ঞান
  (খ) নীতিবিদ্যা প্ৰায়োগিক বিজ্ঞান নহয়
- নীতিবিদ্যাৰ পৰিসৰ
- নৈতিক আৰু অনৈতিক ক্ৰিয়া
- ঐচ্ছিক ক্ৰিয়াৰ বিশ্লেষণ
- নৈতিক বিচাৰৰ বিষয়বস্তু
- পুৰুষাৰ্থ ধৰ্ম, অৰ্থ, কাম, মোক্ষ

## • ভূমিকা ঃ

মানুহ বুদ্ধি-বৃত্তিসম্পন্ন বিচাৰশীল প্ৰাণী। নৈতিক বিচাৰ মানুহৰ বিচাৰশীলতাৰ অভিব্যক্তি। দৈনন্দিন কাম-কাজ বা আচৰণৰ ভাল-বেয়া, শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত আদি বিচাৰ কৰাই নৈতিক বিচাৰ। যি মানসিক শক্তিৰ সহায়ত আমি কৰ্মৰ বা আচৰণৰ ভাল-বেয়া, শুদ্ধ-অশুদ্ধ, ন্যায়-অন্যায় আদি বিচাৰ কৰিব পাৰোঁ, তাকেই নৈতিক বিচাৰশক্তি (Conscience or faculty of moral judgement) বুলি কোৱা হয়। কিছুমান নীতি-নিয়ম

বা আদৰ্শৰদ্বাৰা পৰিচালিত হৈ মানুহে নিজৰ বা আনৰ আচাৰ-ব্যৱহাৰ, কৰ্ম, স্বভাৱ-চৰিত্ৰ আদিৰ বিচাৰ কৰে। সেয়ে এই নীতিবোধ শক্তি মানুহৰ স্বভাৱগত বৈশিষ্ট্য। দৰ্শনৰ যিটো শাখাই মানুহৰ আচৰণ অৰ্থাৎ আচাৰ-ব্যৱহাৰ, স্বভাৱ-চৰিত্ৰ আদিৰ নৈতিক বিচাৰ কৰে তাকেই নীতিবিজ্ঞান বা নীতিশাস্ত্ৰ বোলে (Ethics is the study of what is right or good in human conduct)।

- **নীতিবিদ্যাৰ সংজ্ঞা (Definition of Ethics)**

যি বিজ্ঞানে মানুহৰ চৰিত্ৰ বা আচৰণৰ নৈতিক মূল্য বিচাৰ কৰে তাকে সাধাৰণতে নীতিবিদ্যা বোলা হয়। নীতিবিদ্যা মানুহৰ চৰিত্ৰ বা আচৰণ সম্পৰ্কীয় আদৰ্শনিষ্ঠ বিজ্ঞান।

নীতিবিদ্যা শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Ethics'। ইংৰাজী 'Ethics' শব্দটো গ্ৰীক 'Ethica' শব্দৰপৰা আহিছে। 'Ethica' শব্দক আকৌ 'Ethos' শব্দৰপৰা লোৱা হৈছে। 'Ethos' শব্দৰ অৰ্থ হৈছে চৰিত্ৰ, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি বা অভ্যাস।

কোনো কোনো নীতিশাস্ত্ৰবিদে নীতি বিদ্যাক নীতি দৰ্শন (Moral philosophy) বুলিও কয়। ইংৰাজী 'Moral' শব্দটো লেটিন ভাষাৰ 'Mores' শব্দৰপৰা আহিছে। 'Mores' শব্দৰ অৰ্থ হৈছে ৰীতি-নীতি বা অভ্যাস। গতিকে নীতি দৰ্শন হিচাপেও নীতিবিদ্যাক নৈতিকতাৰ বিজ্ঞান অৰ্থাৎ মানুহৰ ৰীতি-নীতি, অভ্যাস বা আচৰণৰ বিজ্ঞান বুলি ক'ব পাৰি।

**বিভিন্ন নীতিশাস্ত্ৰবিদে দিয়া নীতিবিদ্যাৰ সংজ্ঞা (Different definitions of Ethics of different Moral Philosophers)**

প্ৰখ্যাত নীতিশাস্ত্ৰবিদ মুৰহেডৰ মতে (Muirhead) নীতিবিদ্যা মানুহৰ আচৰণৰ লগত জড়িত সৰ্বোত্তম আদৰ্শৰ বিজ্ঞান। (Ethics is the science of the highest ideal involved in human conduct.– Muirhead)

অধ্যাপক মেকেঞ্জিৰ (Mackenzie) মতে নীতিবিদ্যা মানুহৰ আচৰণৰ শুদ্ধতা বা শ্ৰেয় সম্পৰ্কীয় বিজ্ঞান। ("Ethics may be defined as the study of what is right or good in conduct." – Mackenzie)

খ্যাতনামা নীতিবিজ্ঞানী উইলিয়াম লিলিৰ (William Lille) মতে নীতিবিদ্যা হ'ল সমাজত বসবাস কৰা মানুহৰ আচৰণ সম্পৰ্কীয় আদৰ্শনিষ্ঠ বিজ্ঞান। ("We may define ethics as the normative science of the conduct of human beings living in societies." – William Lille)

মানুহৰ বাহ্যিক আচৰণৰ মাজেদিয়েই চৰিত্ৰই প্ৰকাশ পায়। চৰিত্ৰৰ বাহ্য প্ৰকাশেই আচৰণ সদায়। সৎ চৰিত্ৰৰ ব্যক্তিৰ আচৰণ সৎ আৰু অসৎ চৰিত্ৰৰ ব্যক্তিৰ আচৰণ অসৎ। সেয়ে আচৰণ চৰিত্ৰৰ ওপৰত নিৰ্ভৰশীল। এই দিশৰপৰা নীতিবিদ্যাক চৰিত্ৰৰ বিজ্ঞান বুলিও কোৱা হয়।

(Ethics is the science of human char-

acter as expressed in right or wrong conduct.)

কিন্তু আচৰণ বা স্বভাৱৰ ভাল-বেয়া, সৎ-অসৎ আদি নৈতিক গুণবোৰৰ মূল্যায়ন সদায় আদৰ্শ সাপেক্ষ। পৰম হিত বা পৰম শ্ৰেয় (Highest Good or Summum Bonum) হৈছে এনে নৈতিক আদৰ্শ। মানুহৰ আচৰণৰ নৈতিক গুণৰ বিচাৰ এই নৈতিক আদৰ্শৰ ওপৰত ভিত্তি কৰিয়েই কৰা হয়। সেয়ে নীতিবিদ্যাক পৰমশ্ৰেয় সম্পৰ্কীয় বিজ্ঞান বুলিও কোনো কোনোৱে ক'ব খোজে (Ethics is the science of the Highest Good.)।

## • নীতিবিদ্যাৰ স্বৰূপ বা প্ৰকৃতি (Nature of Ethics)

### 1. বিজ্ঞান হিচাপে নীতিবিদ্যাৰ স্বৰূপ (Nature of Ethics as a Science)

নীতিবিদ্যাৰ সংজ্ঞাবোৰ আলোচনা কৰোঁতে দেখা গৈছে যে নীতিবিদ্যা প্ৰকৃততে মানুহৰ আচৰণ সম্পৰ্কীয় আদৰ্শনিষ্ঠ বিজ্ঞান। কাৰণ আন আন বিজ্ঞানৰ দৰে নীতিবিদ্যা বা নীতিশাস্ত্ৰৰ নিৰ্দিষ্ট বিষয়বস্তু আছে। এই বিষয়বস্তু সম্পৰ্কে নীতিবিদ্যাই সুসংগত, সুনিশ্চিত, যথাৰ্থ আৰু যুক্তিনিষ্ঠ জ্ঞান দিয়ে। প্ৰকৃতিৰ কোনো এটা নিৰ্দিষ্ট বিষয়ৰ শৃংখলাবদ্ধ, যুক্তিনিষ্ঠ আৰু যথাৰ্থ জ্ঞানক বিজ্ঞান বোলে। (A science is a systematic study of a particular department of the nature.) গতিকে নীতিশাস্ত্ৰ এক প্ৰকাৰ বিজ্ঞান। বিজ্ঞান দুই প্ৰকাৰৰ, যেনে—

1. বিষয়নিষ্ঠ বা ব্যক্তিনিষ্ঠ (Positive science)

2. আদৰ্শনিষ্ঠ (Normative science)

যি বিজ্ঞানে কোনো বস্তুৰ প্ৰকৃত স্বভাৱ, প্ৰকৃতি বা লক্ষণৰ বিষয়ে আলোচনা কৰে আৰু ইয়াৰ উৎপত্তি আৰু বিকাশৰ বৰ্ণনা দিয়ে তাকে বস্তুনিষ্ঠ বিজ্ঞান বুলি কোৱা হয়। যেনে— পদাৰ্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, মনোবিজ্ঞান আদি।

আনহাতে, যি বিজ্ঞানে কোনো এটা আদৰ্শ বা মানদণ্ডক মাপকাঠী হিচাপে লৈ বিষয়বস্তুৰ মূল্য নিৰ্ধাৰণ কৰে তাক আদৰ্শনিষ্ঠ বিজ্ঞান বোলে। যেনে— তৰ্কবিজ্ঞান। ইয়াৰ আদৰ্শ হৈছে 'সত্যতা'।

নীতিবিদ্যা আদৰ্শনিষ্ঠ বিজ্ঞান। ইয়াৰ আদৰ্শ হৈছে পৰম কল্যাণ বা পৰমশ্ৰেয়। নীতিবিদ্যাই পৰমশ্ৰেয়ক আদৰ্শৰ মাপকাঠী হিচাপে লৈ মানুহৰ আচৰণ আৰু ঐচ্ছিক ক্ৰিয়াৰ নৈতিক মূল্য নিৰ্ধাৰণ কৰে। নীতিবিদ্যাই মানুহৰ আচৰণৰ আলোচনা কৰোঁতে বস্তুনিষ্ঠ বিজ্ঞানৰ দৰে সেইবোৰৰ স্বৰূপ, উৎপত্তি, বিকাশৰ আলোচনা নকৰে। কিন্তু পৰমশ্ৰেয়ক লাভ কৰিবলৈ সেই আচৰণ কেনে হোৱা উচিত সেইটোহে নীতিবিদ্যাৰ মূল বিষয়বস্তু। নীতিবিদ্যাই আচৰণৰ উচিত-অনুচিতৰ মাপকাঠী নিৰ্ণয়ৰ ওপৰতহে গুৰুত্ব দিয়ে। ই নৈতিক নীতি-নিয়মৰ মাজেদি জীৱন যাপন কৰি ইয়াৰ নিৰ্দিষ্ট লক্ষ্য বা আদৰ্শত উপনীত হ'বলৈ মানুহৰ মনত অনুপ্ৰেৰণা জন্মায়। এতেকে নীতিবিদ্যাৰ স্বৰূপ হৈছে আচৰণৰ আদৰ্শনিষ্ঠ বিজ্ঞান (normative science of conduct)।

**নীতিবিদ্যা ব্যৱহাৰিক বা প্ৰায়োগিক বিজ্ঞান নে? (Is Ethics a practical Science)**

নীতিবিদ্যা ব্যৱহাৰিক বিজ্ঞান হয় নে নহয় এই বিষয়ে নীতিশাস্ত্ৰবিদসকল একমত নহয়। যি বিজ্ঞানে কোনো উদ্দেশ্য বা লক্ষ্যত সফলভাৱে উপনীত হ'বলৈ কিছুমান নীতি-নিয়মৰ প্ৰৱৰ্তন কৰে তাকে প্ৰায়োগিক বিজ্ঞান বোলে। যেনে— চিকিৎসা বিজ্ঞান এবিধ ব্যৱহাৰিক বিজ্ঞান (practical science. A practical science is concerned with means for this realization of a definite end.)। চিকিৎসা বিজ্ঞানে মানুহৰ স্বাস্থ্যৰ আদৰ্শ সম্পৰ্কে আলোচনা নকৰে। ৰোগৰপৰা মুক্ত হৈ সুস্বাস্থ্য লাভ কৰিবলৈ কি উপায় অৱলম্বন কৰিব লাগে সেই বিষয়ে জ্ঞান দিয়ে।

অধ্যাপক মেকেঞ্জিৰ (Mackenzie) মতে নীতিবিদ্যা কেৱল আদৰ্শনিষ্ঠ বিজ্ঞান, ই ব্যৱহাৰিক বিজ্ঞান নহয়। কাৰণ তেওঁৰ মতে নীতিবিদ্যাই নৈতিক জীৱনৰ আদৰ্শৰ স্বৰূপহে নিৰ্ণয় কৰে। কিন্তু এই আদৰ্শত উপনীত হ'বলৈ কোনো নীতি-নিয়ম প্ৰৱৰ্তন নকৰে। সেয়ে নীতিশাস্ত্ৰ ব্যৱহাৰিক বিজ্ঞান নহয়।

আনহাতে মূৰহেড (Muirhead), ছেথ (Seth) আদি নীতিশাস্ত্ৰবিদসকলৰ মতে সকলো বিজ্ঞানতে তাত্ত্বিক আৰু ব্যৱহাৰিক উভয় দিশ আছে। তেওঁলোকৰ মতে এই দুয়ো দিশৰ সমন্বয় কৰিহে মানুহে জ্ঞান-বিজ্ঞানৰ অগ্ৰগতি সাধন কৰিব পাৰে। তত্ত্বৰ দিশৰপৰা পোৱা জ্ঞান ব্যৱহাৰিক জীৱনত অনুশীলন নকৰিলে সেই জ্ঞান যথাৰ্থ জ্ঞান হ'ব নোৱাৰে। গতিকে ছেথৰ (Seth) মতে নীতিবিদ্যা একেলগে তাত্ত্বিক আৰু প্ৰায়োগিক উভয়েই। কিন্তু ছেথ (Seth) আৰু মূৰহেডৰ (Muirhead) মত সম্পূৰ্ণভাৱে গ্ৰহণযোগ্য নহয়। চিকিৎসা বিজ্ঞান আদিক যি অৰ্থত ব্যৱহাৰিক বিজ্ঞান বুলি কয় সেই অৰ্থত নীতিবিদ্যাক ব্যৱহাৰিক বিজ্ঞান বুলি ক'ব নোৱাৰি।

আদৰ্শনিষ্ঠ বিজ্ঞান হিচাপে নীতিবিদ্যাই আদৰ্শৰ স্বৰূপ নিৰ্ণয় কৰে। পৰম কল্যাণ বা পৰমাৰ্থ নিৰ্ণয় কৰাই নীতিশাস্ত্ৰৰ উদ্দেশ্য। কিন্তু এই পৰম কল্যাণ লাভৰ উপায় নীতিশাস্ত্ৰই নিৰ্ধাৰণ নকৰে। নৈতিক আদৰ্শসমূহ কি ধৰণে ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিব লাগে তাৰ জ্ঞান নীতিবিদ্যাই নিদিয়ে। আমাৰ নৈতিক আদৰ্শসমূহ বাস্তৱ জীৱনত ৰূপায়িত কৰিবলৈ কোনো উপায় বা নীতি-নিয়মো প্ৰৱৰ্তন নকৰে। এতেকে বিজ্ঞান হিচাপে নীতিবিদ্যা তত্ত্বনিষ্ঠ আদৰ্শবিজ্ঞান। গতিকে নীতিশাস্ত্ৰ ব্যৱহাৰিক বিজ্ঞান নহয়।

অৱশ্যে নীতিশাস্ত্ৰ অধ্যয়নে আমাৰ চৰিত্ৰ, আচৰণ, ব্যৱহাৰ আদিৰ ওপৰত প্ৰভাৱ পেলায়

**কাৰ্যাৱলী**

1. কি অৰ্থত নীতিবিদ্যাক আদৰ্শনিষ্ঠ বিজ্ঞান বুলি ক'ব পাৰি?
2. নীতিবিদ্যাৰ বিভিন্ন সংজ্ঞাৰ পৰা সন্তোষজনক সংজ্ঞা এটা কেনেকৈ নিৰ্ণয় কৰিবা?

আৰু দৈনন্দিন জীৱনত নীতিশাস্ত্ৰৰ লগত আমাৰ ঘনিষ্ঠ সম্পৰ্ক আছে। কিন্তু এই প্ৰভাৱ নীতিশাস্ত্ৰ অধ্যয়নৰ অনিবাৰ্য পৰিণতি নহয়।

## • নীতিবিদ্যাৰ পৰিসৰ (Scope of Ethics)

নীতিবিদ্যা মানুহৰ আচৰণ সম্পৰ্কীয় আদৰ্শনিষ্ঠ বিজ্ঞান। গতিকে এই আদৰ্শৰ প্ৰসংগলৈ অহা সকলোবোৰ বিষয়েই নীতিশাস্ত্ৰৰ পৰিধিৰ ভিতৰত পৰে।

১। মানুহৰ আচৰণৰ নৈতিক বিচাৰ কৰাই নীতিবিদ্যাৰ উদ্দেশ্য। মানুহৰ বাহ্যিক আচৰণৰ মাজেদিয়েই চৰিত্ৰই প্ৰকাশ পায়। চৰিত্ৰৰ বাহ্য প্ৰকাশেই হৈছে আচৰণ (Conduct)। গতিকে নীতিবিদ্যাই মানুহৰ চৰিত্ৰৰ স্বৰূপ, উপাদান আৰু লক্ষণ সম্পৰ্কে আলোচনা আৰু অনুসন্ধান কৰে। চৰিত্ৰৰ বিষয়ে জানিবলৈ হ'লে নীতিবিদ্যাই মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে সংকল্প, কামৰ উৎস, অভিপ্ৰেৰণা, অভিপ্ৰায়, ঐচ্ছিক আৰু অনৈচ্ছিক কৰ্ম আদিৰ বিষয়ে আলোচনা কৰিব লাগিব। ঐচ্ছিক ক্ৰিয়াহে (voluntary action) নৈতিক বিচাৰৰ বিষয়বস্তু।

২। নৈতিক গুণসম্পন্ন অৰ্থাৎ ভাল-বেয়া, শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত, মংগল-অমংগল আদি নৈতিক প্ৰত্যয়বোৰো নীতিশাস্ত্ৰই আলোচনা কৰে। কোনো এটা ঐচ্ছিক ক্ৰিয়া ভাল নে বেয়া, উচিত নে অনুচিত তাৰ বিচাৰ কৰাই নীতিবিদ্যাৰ উদ্দেশ্য।

৩। আগতেই উল্লেখ কৰা হৈছে যে নীতিবিদ্যাত এটা আদৰ্শ আগত ৰাখিহে ঐচ্ছিক ক্ৰিয়াৰ নৈতিক বিচাৰ কৰা হয়। গতিকে এনে আদৰ্শ বা মানদণ্ডৰ আলোচনা হ'ল নীতিশাস্ত্ৰৰ প্ৰধান আলোচ্য বিষয়। পৰমশ্ৰেয় বা পৰম কল্যাণ (highest good) নীতিশাস্ত্ৰৰ আদৰ্শ। পৰমশ্ৰেয় সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়। যেনে— সুখবাদ (hedonism), কঠোৰতাবাদ (rigorism), পূৰ্ণতাবাদ (perfectionism) ইত্যাদি। সুখবাদ মতে সুখ লাভ বা সুখ ভোগ জীৱনৰ চৰম লক্ষ্য। কঠোৰতাবাদ মতে আৱেগ-অনুভূতি, কামনা-বাসনা আদিক প্ৰশ্ৰয় নিদি, বুদ্ধি-বৃত্তিক সৰ্বোচ্চ স্থান দি জীৱন পৰিচালনা কৰাটো মানুহৰ জীৱনৰ পৰম কল্যাণ। পূৰ্ণতাবাদ মতে আত্ম উপলব্ধিয়েই জীৱনৰ পৰম লক্ষ্য। গতিকে পৰমশ্ৰেয় বা পৰম লক্ষ্য নীতিশাস্ত্ৰৰ পৰিধিৰ অন্তৰ্গত।

৪। নৈতিক বিচাৰৰ স্বৰূপ আৰু বিষয়বস্তু আলোচনা কৰোঁতে নীতিশাস্ত্ৰই কেইটিমান ধাৰণা মূলসূত্ৰ হিচাপে গ্ৰহণ কৰে। এইবোৰক নৈতিক বিচাৰৰ স্বীকাৰ্য সত্য (postulates of moral judgement) বুলি কোৱা হয়। বিনা প্ৰমাণে সত্য বুলি গৃহীত হোৱা মৌলিক নীতিক স্বীকাৰ্য সত্য বুলি কোৱা হয়। নৈতিক বিচাৰত তিনিটা স্বীকাৰ্য সত্য মানি লোৱা হয়। সেইকেইটা হ'ল— (ক) ব্যক্তিৰ ব্যক্তিত্ব (personality), (খ) বিচাৰ-বুদ্ধি বা বিচাৰশক্তি (reason), (গ) ইচ্ছাৰ স্বাতন্ত্ৰ্য বা ইচ্ছাৰ স্বাধীনতা (freedom of will)।

৫। নৈতিক বাধ্যতাবোধ (moral obligation) নীতিশাস্ত্ৰৰ আন এটা আলোচ্য বিষয়।

নৈতিক বিচাৰৰদ্বাৰা কোনো এটা কাম ভাল বা বেয়া বুলি বিবেচিত হোৱাৰ লগে লগে ভাল কামটো কৰাৰ আৰু বেয়া কামটো পৰিহাৰ কৰাৰ ধাৰণা আমাৰ মনলৈ আহে আৰু তাকেই কোৱা হয় নৈতিক বাধ্যতাবোধ। এই নৈতিক বাধ্যতাবোধৰ স্বৰূপ সম্পৰ্কেও নীতিশাস্ত্ৰই আলোচনা কৰে।

৬। ইচ্ছাৰ স্বাধীনতা আছে বাবেই আমি নিজৰ নিজৰ ঐচ্ছিক ক্ৰিয়াৰ বাবে নিজেই দায়ী। ইয়াৰ ফলত ভাল কামৰ বাবে পুৰস্কাৰ আৰু বেয়া কামৰ বাবে শাস্তিৰ ব্যৱস্থা আমাৰ সমাজত আছে। সেয়ে পুৰস্কাৰ আৰু শাস্তিৰ নৈতিক আধাৰ নীতিশাস্ত্ৰৰ আলোচ্য বিষয়।

৭। নীতিবিদ্যা সামাজিক বিজ্ঞান। ইয়াৰ ধাৰণা, প্ৰত্যয় আৰু নিৰ্ণয়বিলাকৰ ওপৰত সামাজিক পৰম্পৰা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ যথেষ্ট প্ৰভাৱ পৰে। নীতিশাস্ত্ৰ নৈতিক জীৱনৰ সমাজশাস্ত্ৰ হিচাপে স্বীকৃতি পায় আৰু নৈতিক জীৱনত সামাজিক প্ৰভাৱ নীতিশাস্ত্ৰৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

৮। নীতিশাস্ত্ৰত সততে ব্যৱহাৰ কৰা শব্দবোৰ হৈছে— ভাল,-বেয়া, উচিত-অনুচিত, মংগল-অমংগল, ন্যায়-অন্যায় আদি। বৰ্তমান কালৰ ভাষাবিশ্লেষকসকলে এই নৈতিক ধাৰণাসমূহৰ সুস্পষ্ট অৰ্থ নিৰ্ধাৰণ কৰিছে। তাকেই অধি-নীতিবিদ্যা (meta-ethics) বুলি কোৱা হয়। সেয়ে নীতিবিদ্যাৰ প্ৰধান কাম হ'ল এই নৈতিক প্ৰত্যয়সমূহৰ অস্পষ্ট অৰ্থক সুস্পষ্ট কৰা।

সংক্ষেপে ক'বলৈ গ'লে নীতিশাস্ত্ৰৰ ক্ষেত্ৰ বা পৰিধি অতি ব্যাপক। মানুহৰ ব্যক্তিত্বৰ পূৰ্ণতা আৰু যথাৰ্থৰূপ, আচৰণ, আত্মস্বাতন্ত্ৰ্য, ধৰ্ম, ঈশ্বৰ, পাপ-পুণ্য, সমাজ ব্যৱস্থা আদি সকলো নীতিশাস্ত্ৰৰ আলোচ্য বিষয়বস্তুৰ অন্তৰ্গত। তদুপৰি মনোবৈজ্ঞানিক, দাৰ্শনিক, সামাজিক আৰু ৰাজনৈতিক সমস্যাবোৰৰ লগতো নীতিবিদ্যাৰ পৰোক্ষ সম্পৰ্ক আছে।

**কাৰ্যাৱলী**

1. নীতিবিদ্যাৰ পৰিসৰৰ ব্যাপকতা তোমালোকে কেনেধৰণে অনুভৱ কৰা?
2. নৈতিক আদৰ্শৰ প্ৰতি তোমালোক শ্ৰদ্ধাশীল হয়নে?

## • নৈতিক আৰু অনৈতিক ক্ৰিয়া (Moral and Non-Moral Action)

নৈতিক গুণ অনুসৰি মানুহৰ আচৰণ আৰু কামবোৰক দুটা ভাগত ভগাব পাৰি। যেনে—

1. নৈতিক কৰ্ম (Moral Action)
2. অনৈতিক কৰ্ম (Non-moral Action)

**নৈতিক কৰ্ম ঃ** যি ক্ৰিয়াৰ নৈতিক গুণ আছে অৰ্থাৎ যি ক্ৰিয়া শুদ্ধতা-অশুদ্ধতা, উচিত, অনুচিত আদিৰ লগত জড়িত তাকে নৈতিক কৰ্ম (moral action) বুলি কোৱা হয়। (Moral action means those actions in which moral quality (i.e., rightness and wrongness) is present.)


ঐচ্ছিক ক্ৰিয়া (Voluntary Action) আৰু অভ্যাসজনিত ক্ৰিয়াই (Habitual Action) নৈতিক ক্ৰিয়া। যিবোৰ ক্ৰিয়া-কৰ্তাই সজাগ হৈ বুদ্ধি-বৃত্তি প্ৰয়োগৰদ্বাৰা কোনো উদ্দেশ্য সম্পাদন কৰিবলৈ ইচ্ছাকৃতভাৱে কৰে তেনেবোৰ ক্ৰিয়াক ঐচ্ছিক কৰ্ম বোলে। আনহাতে, অভ্যাস ঐচ্ছিক ক্ৰিয়াৰ পুনৰাবৃত্তিৰেই পৰিণতি। যেতিয়া কোনো এটা ক্ৰিয়া ইচ্ছাকৃতভাৱে বাৰে বাৰে অনুশীলন কৰা হয়, তেতিয়া সি অভ্যাসত পৰিণত হয়। ঐচ্ছিক ক্ৰিয়া আৰু অভ্যাসজনিত ক্ৰিয়া যিহেতু নৈতিক ক্ৰিয়া গতিকে এই দুয়ো প্ৰকাৰৰ ক্ৰিয়াই নৈতিক বিচাৰৰ বিষয়বস্তু।

**অনৈতিক ক্ৰিয়া ঃ** যিবোৰ কৰ্মত নৈতিক গুণ আৰোপ কৰিব নোৱাৰি অৰ্থাৎ যি ক্ৰিয়াৰ শুদ্ধ-অশুদ্ধ, উচিত-অনুচিত আদিৰ বিচাৰ কৰিব নোৱাৰি তাক অনৈতিক ক্ৰিয়া বোলে। (Non-moral actions are those that are devoid of moral quality.)


অনৈচ্ছিক (Non-voluntary action) ক্ৰিয়াবোৰেই অনৈতিক ক্ৰিয়া। কৰ্তাৰ অজ্ঞাতসাৰে বা বুদ্ধি-বৃত্তিৰ প্ৰয়োগ নকৰাকৈ বাহিৰৰ প্ৰভাৱৰদ্বাৰা প্ৰভাৱান্বিত হৈ অনিচ্ছাকৃতভাৱে যি কাম কৰা হয় তাকে অনৈচ্ছিক ক্ৰিয়া বোলে। এনে অনৈচ্ছিক কামবোৰৰ নৈতিক মূল্য বিচাৰ কৰাৰ প্ৰয়োজন নাই। তলত উল্লেখ কৰা ক্ৰিয়াসমূহ অনৈতিক ক্ৰিয়াৰ ভিতৰত পৰে—

1. নিৰ্জীৱ বা অচেতন বস্তুৰদ্বাৰা সংঘটিত হোৱা কাম বা প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা ঘটনা অনৈতিক। যেনে— ভূমিকম্প, বানপানী, ধুমুহা আদি।

**তালিকা : 1**




**তালিকা : 2**



2. ইতৰ প্ৰাণীৰ কৰ্ম বা আচৰণত নৈতিক গুণ আৰোপ কৰিব নোৱাৰি।

3. সৰু ল'ৰা-ছোৱালী বা শিশুৰ স্বতঃস্ফূৰ্ত (Spontaneous action) ক্ৰিয়াসমূহ নিৰ্নৈতিক। শিশুৱে জানি-বুজি বা কোনো অভিপ্ৰায় লৈ কাম নকৰে।

4. সহজাত ক্ৰিয়া (instinctive action) অনৈতিক। এনেবোৰ ক্ৰিয়া সহজাত প্ৰবৃত্তিৰদ্বাৰা পৰিচালিত হয়। ইয়াত কোনো সজ্ঞান প্ৰচেষ্টা বা উদ্দেশ্যৰ স্পষ্ট ধাৰণা নাই। মানুহতকৈ পশু-পক্ষীৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ বেছি দেখা যায়।

5. প্ৰত্যাৱৰ্তী ক্ৰিয়াও (Reflex action) নৈতিক ক্ৰিয়া নহয়। যিবোৰ ক্ৰিয়া কোনো উদ্দীপকৰ সান্নিধ্যত সংবেদনশীল ইন্দ্ৰিয়ৰ জৰিয়তে স্বয়ংক্ৰিয়ভাৱে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় তাকে প্ৰত্যাবৰ্তী ক্ৰিয়া বোলে। যেনে— তীব্ৰ উজ্জ্বল পোহৰ পৰিলে চকু আপোনা-আপুনি মুদ খায়। ইয়াত পোহৰ হ'ল উদ্দীপক আৰু চকু মুদ খোৱাটো হ'ল প্ৰতিক্ৰিয়া।

6. ভাবজ ক্ৰিয়া (Ideo-motor action) আন এবিধ অনৈতিক ক্ৰিয়া। এনে ক্ৰিয়াত মনত উদয় হোৱা ভাব বা ধাৰণাই অজ্ঞাতসাৰেই হঠাতে ক্ৰিয়াত পৰিণত হয়। যেনে— ফুটবল খেল চাই থাকোঁতে বলটো গ'লৰ ওচৰত দেখি অজ্ঞাতসাৰেই দৰ্শকজনে ওচৰত বহি থকা দৰ্শকজনক ভৰিৰে মাৰি দিয়ে।

7. বাধ্যবাধকতাৰ বশৱৰ্তী হৈ কৰা কামত কৰ্তাৰ কোনো ইচ্ছাৰ স্বাধীনতা নাথাকে। সেয়ে ই অনৈচ্ছিক ক্ৰিয়া।

8. উন্মাদ বা বিকৃত মস্তিষ্ক লোকৰ ক্ৰিয়াক নৈতিক বিচাৰ কৰিব নোৱাৰি। কাৰণ মানসিক বিকৃতিৰ বাবে তেনে লোকৰ বিচাৰ ক্ষমতা নাথাকে।

তদুপৰি অনুকৰণীয় ক্ৰিয়া (imitative action), আকস্মিক ক্ৰিয়া (accidental action) আদিও অনৈচ্ছিক ক্ৰিয়া, অৰ্থাৎ নৈতিক বিচাৰৰ বিষয়বস্তু নহয়।

## • ঐচ্ছিক ক্ৰিয়াৰ বিশ্লেষণ (Analysis of Voluntary Action)

ঐচ্ছিক ক্ৰিয়া এটা বিশ্লেষণ কৰি চালে ইয়াত তিনিটা স্তৰ বা পৰ্যায় পোৱা যায়। যেনে—

1. মানসিক স্তৰ (Mental stage)

2. দৈহিক বা শাৰীৰিক স্তৰ (Bodily stage)

3. বাহ্য স্তৰ বা পৰিসমাপ্তি স্তৰ (External or Final stage)

**1. মানসিক স্তৰ (Mental stage) ঃ** মানসিক স্তৰত তলত উল্লেখ কৰা মানসিক উপাদানসমূহ থাকে। যেনে—

**(ক) কৰ্মৰ উৎস** (Spring of action) ঃ অভাৱবোধ (Feeling of want) হৈছে মানুহৰ মানসিক ক্ৰিয়াৰ উৎস। অভাৱে মানুহৰ মনত অস্বস্তিকৰ আৰু দুখদায়ক অৱস্থাৰ সৃষ্টি কৰে। এনে মানসিক অৱস্থাৰ অন্ত পেলাবলৈ মানুহ কৰ্মত প্ৰবৃত্ত হয়।

**(খ) লক্ষ্য বা উদ্দেশ্য** (End or motive) ঃ অভাৱ দূৰ কৰিব পৰা বস্তুটোক ঐচ্ছিক ক্ৰিয়াৰ লক্ষ্য (end) আৰু বস্তুটোৰ চিন্তা বা ধাৰণাক ঐচ্ছিক ক্ৰিয়াৰ উদ্দেশ্য (motive) বুলি কোৱা

হয়। যেনে— শীতত কষ্ট পোৱা মানুহজনৰ বাবে গৰম কাপোৰ হৈছে লক্ষ্য আৰু ইয়াৰ চিন্তা হৈছে উদ্দেশ্য।

**(গ) কামনা** (Desire) ঃ অভাৱ দূৰ কৰিব পৰা বস্তুটোৰ ধাৰণা আৰু বস্তুটো পাবলৈ মনত জন্মা আগ্ৰহ বা আকুলতা হ'ল কামনা।

**(ঘ) কামনাৰ সংঘাত** (Conflict of desire) ঃ একে সময়তে কামনা একাধিক হ'ব পাৰে। একে সময়তে উদ্ভৱ হোৱা একাধিক কামনাই মনত দ্বন্দ্ব বা সংঘাতৰ সৃষ্টি কৰে। তাকে কামনাৰ সংঘাত বুলি কোৱা হয়।

**(ঙ) বিবেচনা আৰু নিৰ্বাচন** (Deliberation and Selection) মানসিক সংঘাত বা কামনাৰ সংঘাতৰ পৰা পৰিত্ৰাণ পাবৰ বাবে মানুহে নৈতিক চিন্তা বা বিবেচনা কৰে। বহুতো উদ্দেশ্য আৰু কামনাৰপৰা গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এটাক নিৰ্বাচন কৰি বাকীবোৰ পৰিত্যাগ কৰে। এয়ে ঐচ্ছিক ক্ৰিয়াৰ বিবেচনা আৰু নিৰ্বাচন। এই স্তৰৰ পৰা প্ৰকৃততে নৈতিক বিচাৰ আৰম্ভ হয়।

**(চ) সিদ্ধান্ত আৰু সংকল্প** (Decision and Determination) ঃ এটা নিৰ্দিষ্ট কামনাক নিৰ্বাচন কৰাৰ পিছত তাক চৰিতাৰ্থ কৰিবলৈ সিদ্ধান্ত কৰা হয় আৰু তাক কাৰ্যকৰী কৰাৰ বাবে মানুহে সংকল্প লয়।

**(ছ) অভিপ্ৰায়** (Intention) ঃ মানসিক স্তৰৰ উপাদানবোৰৰ ভিতৰত অভিপ্ৰায় আটাইতকৈ গুৰুত্বপূৰ্ণ। কাৰণ অভিপ্ৰায়, লক্ষ্য, উদ্দেশ্য, সাধন আৰু আৰু পৰিণামৰ সমন্বয়।

অভিপ্ৰায় = লক্ষ্য + উদ্দেশ্য + সাধন + পৰিণাম

Intention = end + motive + means + consequence

**2. দৈহিক বা শাৰীৰিক স্তৰ (Bodily stage)**

অভিপ্ৰায় পূৰণ কৰাৰ বাবে ব্যক্তিয়ে অংগ-প্ৰত্যংগ আৰু মাংসপেশীৰ সঞ্চালন কৰিব লাগিব। মানসিক সংকল্পক শৰীৰৰ মাধ্যমেৰে কৰ্মত ৰূপায়িত কৰাই হ'ল দৈহিক স্তৰ।


**3. পৰিসমাপ্তি স্তৰ (Final stage or the stage of complication)**

গতিকে দেখা গ'ল ঐচ্ছিক ক্ৰিয়া বিশ্লেষণ কৰিলে উপৰিউক্ত তিনিটা স্তৰ পোৱা যায়। ঐচ্ছিক ক্ৰিয়া সম্পাদন কৰা কৰ্তাজন বিচাৰ-বুদ্ধি সম্পন্ন ব্যক্তি হ'ব লাগিব। কাৰণ তেনে ব্যক্তিয়েহে বিবেচনা, নিৰ্বাচন, সংকল্প আদি কৰিব পাৰে।

কাম্য বা বাঞ্ছিত ফল লাভেই ঐচ্ছিক ক্ৰিয়াৰ পৰিসমাপ্তি। এই প্ৰাপ্তি কেতিয়াবা প্ৰত্যাশিত আৰু কেতিয়াবা অপ্ৰত্যাশিত হয়।

**কাৰ্যাৱলী**

1. তোমাৰ মনত কামনাৰ সংঘাত হ'লে সিদ্ধান্ত কেনেদৰে ল'বা?
2. অভাৱ এটা পূৰণ হোৱাৰ পিছত পৰিসমাপ্তি কেনে হোৱাটো আশা কৰা?




- **নৈতিক বিচাৰৰ বিষয়বস্তু (Object of Moral Judgement)**

আগতে উল্লেখ কৰি অহা হৈছে যে ঐচ্ছিক ক্ৰিয়া আৰু অভ্যাসজনিত ক্ৰিয়া নৈতিক বিচাৰৰ বিষয়বস্তু। কিন্তু ঐচ্ছিক ক্ৰিয়া এটা সৰল প্ৰক্ৰিয়া নহয়। এই ক্ৰিয়া বিশ্লেষণ কৰোঁতে আমি ইতিমধ্যে ইয়াৰ তিনিটা স্তৰ (মানসিক, শাৰীৰিক, পৰিসমাপ্তি) পাইছোঁ।

এতিয়া প্ৰশ্ন হয়, ঐচ্ছিক ক্ৰিয়াৰ কোনটো স্তৰ নৈতিক বিচাৰৰ বিষয়বস্তু?

দৈহিক স্তৰ (bodily stage) নৈতিক বিচাৰৰ বিষয়বস্তু হ'ব নোৱাৰে। কাৰণ দৈহিক ক্ৰিয়া যান্ত্ৰিক; ই কেৱল মানসিক সিদ্ধান্তৰ বাহ্যিক প্ৰতিফলন মাত্ৰ। গতিকে শাৰীৰিক অংগ-প্ৰত্যংগ সঞ্চালন নৈতিক বিচাৰৰ বিষয়বস্তু হ'ব নোৱাৰে।

নৈতিক বিচাৰৰ বিষয়বস্তু মানসিক স্তৰ (mental stage) নে পৰিসমাপ্তি স্তৰ (final stage)? এই প্ৰশ্ন লৈ নীতিশাস্ত্ৰবিদসকলৰ মাজত মতানৈক্য আছে।

সুখবাদী (hedonist)সকলৰ মতে ক্ৰিয়াৰ পৰিণাম বা ফলহে নৈতিক বিচাৰৰ বিষয়বস্তু। তেওঁলোকৰ মতে সুখেই জীৱনৰ পৰম কল্যাণ বা পৰমাৰ্থ। গতিকে যি ক্ৰিয়াৰ ফল সুখদায়ক তেনে ক্ৰিয়া ভাল আৰু যদি দুখদায়ক তেনে ক্ৰিয়া বেয়া।

সুখবাদীসকলৰ এই মত গ্ৰহণযোগ্য নহয়। কাৰণ ফলাফল লক্ষ্য কৰি নৈতিক বিচাৰ কৰিলে অনেক সময়ত সেই বিচাৰ ন্যায় সংগত নহ'বও পাৰে। যেনে— চিকিৎসক এজনে ৰোগীক আৰোগ্য কৰাৰ উদ্দেশ্যে দেহত অস্ত্ৰোপচাৰ কৰিলে। ৰোগী আৰোগ্য হ'ল। এই ক্ষেত্ৰত উদ্দেশ্য আৰু পৰিণামৰ মাজত সংগতি থকাত অৰ্থাৎ দুয়োটাই ভাল হোৱাত বিচাৰৰ ক্ষেত্ৰত কোনো বিৰোধৰ সৃষ্টি হোৱা নাই।

কিন্তু কেতিয়াবা কেতিয়াবা উদ্দেশ্য আৰু

পৰিণামৰ মাজত সংগতি নাথাকে। যেনে— চিকিৎসকে ৰোগীক আৰোগ্য কৰাৰ মহান উদ্দেশ্য লৈ দেহত অস্ত্ৰোপচাৰ কৰিলে। কিন্তু ৰোগীৰ মৃত্যু হ'ল। এনে ক্ষেত্ৰত পৰিণাম বেয়া বুলি চিকিৎসকজনক হত্যাকাৰী বুলি ক'ব নোৱাৰি। সেয়ে অকল পৰিণাম নৈতিক বিচাৰৰ বিষয়বস্তু নহয়।

বুদ্ধিবাদী (Rationalists) সকলৰ মতে উদ্দেশ্যহে নৈতিক বিচাৰৰ বিষয়বস্তু। উদ্দেশ্য ভাল হ'লে কামটো ভাল হ'ব আৰু উদ্দেশ্য বেয়া হ'লে কামটোও বেয়া বুলি বিবেচিত হ'ব।

এই মতবাদো গ্ৰহণযোগ্য নহয়। কাৰণ উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি কামৰ নৈতিক বিচাৰ কৰিলে অনেক সময়ত ন্যায়সংগত নহ'বও পাৰে। কেতিয়াবা দেখা যায় উদ্দেশ্য সৎ হ'লেও উদ্দেশ্য সাধনৰ উপায় (means) যদি অসৎ হয়, তেনে কামক সৎ বুলি বিবেচনা কৰিব নোৱাৰি; যেনে— দুখীয়া লোকক সহায় কৰাৰ উদ্দেশ্য সৎ। কিন্তু দুখীয়া লোকক সহায় কৰিবলৈ আনৰ বস্তু চুৰ কৰি অনা কাৰ্য অসৎ বা অন্যায়। গতিকে কোনো কাম সৎ বুলি বিবেচিত হ'ব লাগিলে, অকল উদ্দেশ্য সৎ হ'লেই নহ'ব, উদ্দেশ্য সাধনৰ উপায়ও সৎ হ'ব লাগিব।

**অভিপ্ৰায়হে নৈতিক বিচাৰৰ বিষয়বস্তু**

অভিপ্ৰায় (Intention) হৈছে নৈতিক বিচাৰৰ প্ৰকৃত বিষয়বস্তু। অভিপ্ৰায় ঐচ্ছিক ক্ৰিয়াৰ মানসিক স্তৰৰ সকলো উপাদান, যেনে— কৰ্মৰ উৎস, কামনা, লক্ষ্য, উদ্দেশ্য উদ্দেশ্য সাধনৰ উপায় আদিৰ সমন্বয়। অভিপ্ৰায়ত মানসিক স্তৰৰ আটাইকেইটা উপাদানে পৰিসমাপ্তি লাভ কৰে।

মেকেঞ্জি (Mackenzie) প্ৰমুখ্যে এক শ্ৰেণীৰ নীতিশাস্ত্ৰবিদৰ মতে কৰ্তাৰ চৰিত্ৰহে নৈতিক বিচাৰৰ বিষয়বস্তু। কাৰণ অভিপ্ৰায় চৰিত্ৰৰ বাহ্যিক অভিব্যক্তি। কিন্তু কোনো কোনো ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম দেখা যায়। কেতিয়াবা সৎ চৰিত্ৰৰ লোকেও অসৎ কাম কৰে, আকৌ কেতিয়াবা অসৎ চৰিত্ৰৰ লোকেও ভাল কাম কৰা দেখা যায়। মুনিৰো কেতিয়াবা মতিভ্ৰম হয়। এতেকে চৰিত্ৰ নহয়, অভিপ্ৰায়হে নৈতিক বিচাৰৰ বিষয়বস্তু।

**কাৰ্যাৱলী**

1. নৈতিক বিচাৰৰ ক্ষেত্ৰত কাক অগ্ৰাধিকাৰ দিয়াটো উচিত বুলি ভাবা— উদ্দেশ্য নে অভিপ্ৰায়?

**কামৰ উদ্দেশ্যৰদ্বাৰা তাৰ সাধনৰ সমৰ্থন কৰিব পাৰিনে? (Does the end justify the means?)**

কিছুমান কামৰ উদ্দেশ্য আৰু তাক লাভ কৰাৰ বাবে প্ৰয়োগ কৰা উপায় বা সাধনৰ মাজত এক নৈতিক বিৰোধ দেখা যায়। অৰ্থাৎ কামৰ উদ্দেশ্য ভাল হ'লেও উপায় যদি বেয়া হয় বা যদি সাধ্য (end) আৰু সাধনৰ (means) মাজত নৈতিক বিৰোধ থাকে, তেন্তে এই বিৰোধে নীতিশাস্ত্ৰত এক অতি প্ৰাসংগিক প্ৰশ্নৰ অৱতাৰণা কৰে। প্ৰশ্নটো হ'ল— কামৰ উদ্দেশ্যৰ দ্বাৰা তাৰ সাধনৰ সমৰ্থন কৰিব পাৰিনে? সাধ্যই সাধনৰ ঔচিত্য বিধান কৰিব পাৰেনে? সাধ্য আৰু সাধন মিলিয়েই নৈতিক ক্ৰিয়া

সম্পন্ন হয়। কোনো এটা কামৰ ভাল-বেয়া, উচিত-অনুচিত নিৰ্ভৰ কৰে সাধ্য আৰু সাধন দুয়োটাৰ ওপৰতে। উদ্দেশ্য ভাল হ'লেই নহয়, তাৰ উপায় বা সাধনো ভাল হ'ব লাগিব। মানুহৰ আচৰণত সাধনো পৱিত্ৰ বা শুভ হ'ব লাগিব।

এই ক্ষেত্ৰত দাৰ্শনিকসকলৰ মাজত মতভেদ দেখা যায়— (ক) কিছুমান দাৰ্শনিকৰ মতে উদ্দেশ্যই সাধন বা উপায়ৰ ঔচিত্য বিধান কৰে; অৰ্থাৎ ভাল উদ্দেশ্য এটা সিদ্ধিৰ কাৰণে যিকোনো উপায় অৱলম্বন কৰিব পাৰি। সেই উপায়টো বা সাধনটো (means) ভাল বুলি সমৰ্থন কৰা উচিত (end justifies the means)। তেওঁলোকৰ মতে পৰিণামত যি ভাল সি সকলো ভাল (all is well that ends well)।

(খ) এই মত সকলোৰে বাবে গ্ৰহণযোগ্য নহয়। মহাত্মা গান্ধীৰ মতে সাধনেহে সাধ্যৰ ঔচিত্য প্ৰমাণিত কৰে (means justifies the end)। উদ্দেশ্য ভাল হ'লেই নহ'ব, তাৰ উপায় বা সাধনো ভাল হ'ব লাগিব। মহাত্মা গান্ধীৰ মতে দেশৰ স্বাধীনতা লাভ কৰাৰ মহান উদ্দেশ্যৰ ক্ষেত্ৰতো সাধনৰ কথা চিন্তা কৰা উচিত। সেয়ে ভাৰতবাসীক অহিংস আৰু সৎ উপায় অৱলম্বন কৰিবলৈ নিৰ্দেশ দিছিল। কাৰণ সাধনেহে (means) প্ৰকৃততে সাধ্যৰ যথাৰ্থতা আৰু যুক্তিযুক্ততা নিৰ্ণয় কৰে। গতিকে উদ্দেশ্যৰ লগত উপায় বা সাধনো নৈতিক বিচাৰৰ বিষয়বস্তু।

ওপৰৰ আলোচনাৰ পৰা এইটো প্ৰতীয়মান হ'ল যে ঐচ্ছিক ক্ৰিয়াৰ তিনিটা স্তৰৰ (মানসিক, শাৰীৰিক, বাহ্যিক) কেৱল মানসিক স্তৰহে নৈতিক বিচাৰৰ বিষয়বস্তু। কিন্তু মানসিক স্তৰৰ কেৱল লক্ষ্য বা উদ্দেশ্যৰ ওপৰতে নৈতিক মূল্য নিৰ্ভৰ নকৰে, লগে লগে লক্ষ্যত উপনীত হ'বলৈ অবলম্বন কৰা উপায় বা সাধনৰ ওপৰতহে বিশেষকৈ নিৰ্ভৰ কৰে। উদ্দেশ্য আৰু সাধনৰ সমন্বয়েই হৈছে অভিপ্ৰায় আৰু সেয়েহে অভিপ্ৰায়হে নৈতিক বিচাৰৰ প্ৰকৃত বিষয়বস্তু।

**মূল শব্দ (Key Words)**

'Ethos', 'Mores' পৰম শ্ৰেয়, আদৰ্শনিষ্ঠ বিজ্ঞান, উদ্দেশ্য, অভিপ্ৰায়, নৈতিক বিচাৰ, ঐচ্ছিক ক্ৰিয়া, অনৈচ্ছিক ক্ৰিয়া, পুৰুষাৰ্থ

## পাঠৰ মূলকথা

- নীতিবিদ্যা কাক কয়— যি বিজ্ঞানে মানুহৰ চৰিত্ৰ বা আচৰণৰ নৈতিক মূল্যৰ বিচাৰ কৰে তাকে নীতিবিদ্যা বা নীতিশাস্ত্ৰ বুলি কোৱা হয়।
- নীতিশাস্ত্ৰ আদৰ্শনিষ্ঠ বিজ্ঞান।
- নৈতিক আৰু অনৈতিক কৰ্ম— যিবোৰ কামত নৈতিক গুণ (ভাল, বেয়া, উচিত, অনুচিত) আৰোপ কৰিব পাৰি তাকে নৈতিক কৰ্ম বোলে। আনহাতে যিবোৰ কামত নৈতিক গুণ আৰোপ কৰিব নোৱাৰি তাকে অনৈতিক কৰ্ম বোলে।
- ইচ্ছাপ্ৰণোদিত ক্ৰিয়াক ঐচ্ছিক কৰ্ম বোলে। ইয়াৰ তিনিটা স্তৰ আছে— মানসিক, শাৰীৰিক আৰু বাহ্যিক।

• কেৱল মানসিক স্তৰহে নৈতিক বিচাৰৰ বিষয়বস্তু। উদ্দেশ্য আৰু সাধন বা উপায়ৰ সমন্বয় হৈছে অভিপ্ৰায়। অভিপ্ৰায় হৈছে নৈতিক বিচাৰৰ প্ৰকৃত বিষয়বস্তু।

## অনুশীলনী

১। **উত্তৰ দিয়া ঃ**

(ক) নীতিবিদ্যা কাক কয়?

(খ) ঐচ্ছিক ক্ৰিয়া কাক বোলে?

(গ) অভ্যাসজনিত ক্ৰিয়া কাক বোলে?

(ঘ) ঐচ্ছিক কৰ্মৰ তিনিটা স্তৰ কি কি?

(ঙ) বস্তুনিষ্ঠ বিজ্ঞান কাক বোলে?

(চ) নীতিবিদ্যাৰ আদৰ্শ কি?

২। **পাৰ্থক্য দেখুওৱা ঃ**

(ক) বস্তুনিষ্ঠ বিজ্ঞান আৰু আদৰ্শনিষ্ঠ বিজ্ঞান।

(খ) নৈতিক আৰু অনৈতিক কাম।

(গ) উদ্দেশ্য আৰু অভিপ্ৰায়।

(ঘ) ঐচ্ছিক ক্ৰিয়া আৰু অনৈচ্ছিক ক্ৰিয়া।

৩। **সংজ্ঞা দিয়া ঃ**

(ক) নীতিবিদ্যা

(খ) বস্তুনিষ্ঠ বিজ্ঞান

(গ) আদৰ্শনিষ্ঠ বিজ্ঞান

(ঘ) নৈতিক কৰ্ম

(ঙ) ব্যৱহাৰিক বিজ্ঞান

(চ) অনৈতিক কৰ্ম

৪। **চমুটোকা লিখা ঃ**

(ক) আদৰ্শনিষ্ঠ বিজ্ঞান

(খ) নীতিবিদ্যাৰ পৰিসৰ

(গ) কামনাৰ সংঘাত

(ঘ) ঐচ্ছিক ক্ৰিয়াৰ স্তৰ

(ঙ) অনৈতিক কৰ্ম

৫। নীতিশাস্ত্ৰ বুলিলে কি বুজা? ইয়াৰ স্বৰূপ বৰ্ণনা কৰা।

৬। নীতিবিজ্ঞান কাক কয়? ইয়াৰ পৰিধি আলোচনা কৰা।

৭। নৈতিক আৰু অনৈতিক ক্ৰিয়াৰ পাৰ্থক্য নিৰ্ণয় কৰা। এই দুয়ো ক্ৰিয়াৰ ভিতৰত কোনবিধ ক্ৰিয়া নীতিবিদ্যাৰ বিষয়বস্তু?

৮। ঐচ্ছিক ক্ৰিয়া কাক বোলে? ইয়াৰ বিভিন্ন স্তৰ ব্যাখ্যা কৰা।

৯। নৈতিক বিচাৰ কাক বোলে? নৈতিক বিচাৰৰ বিষয়বস্তু কি?

১০। উদ্দেশ্য আৰু অভিপ্ৰায়ৰ পাৰ্থক্য নিৰ্ণয় কৰা।

১১। নৈতিক বিচাৰৰ বিষয়বস্তু উদ্দেশ্য নে অভিপ্ৰায়?

১২। কামৰ উদ্দেশ্যৰদ্বাৰা সাধনৰ সমৰ্থন কৰিব পাৰি নে? যুক্তিৰে আলোচনা কৰা।

# পুৰুষাৰ্থ (Purusartha)

## • পুৰুষাৰ্থ ঃ ধৰ্ম, অৰ্থ, কাম, মোক্ষ

## • ভূমিকা

পুৰুষাৰ্থ মানৱ জীৱনৰ পৰমাৰ্থ বা পৰম শ্ৰেয়। ভাৰতীয় নীতিশাস্ত্ৰত ই এটা মৌলিক সিদ্ধান্ত। পুৰুষাৰ্থ শব্দৰ অৰ্থ হৈছে পুৰুষৰ বা মনুষ্যৰ প্ৰয়োজন। আধ্যাত্মিক পূৰ্ণতা লাভৰ যিবিলাক হেতু বা উপায় সেইবোৰেই মানৱৰ পুৰুষাৰ্থ। ভাৰতীয় নীতিশাস্ত্ৰত এই পুৰুষাৰ্থ চাৰি প্ৰকাৰৰ। যেনে— (১) ধৰ্ম, (২) অৰ্থ, (৩) কাম আৰু (৪) মোক্ষ। এটা সুস্থিৰ পৰিপূৰ্ণ জীৱন অতিবাহিত কৰিবলৈ এই চাৰিবিধ পুৰুষাৰ্থৰ প্ৰয়োজন।

## • ধৰ্ম (Religion)

ধৰ্মৰ বুৎপত্তিগত অৰ্থ হ'ল যিয়ে ধাৰণ কৰে, সেয়ে ধৰ্ম। 'ধৃ' ধাতুৰ পৰা ধৰ্মৰ উৎপত্তি। 'ধৃ' মানে ধাৰণ কৰা, অৰ্থাৎ যি গুণ বা শক্তিৰদ্বাৰা ধাৰণ কৰা হয় সিয়েই ধৰ্ম। সমাজ অথবা প্ৰজাক যিয়েই ঐক্যবদ্ধ কৰি ৰাখে সেয়ে ধৰ্ম। ধৰ্মক বিভিন্ন অৰ্থত প্ৰয়োগ কৰিলেও ধৰ্ম শব্দৰদ্বাৰা প্ৰকৃততে আটাইবোৰ নৈতিক সদগুণক বুজোৱা হয়। ধৰ্মক সমাজকল্যাণ বিধি, নৈতিকতা, পৰম্পৰাগত সামাজিক আচাৰ, অনুষ্ঠান বা বিহিত কৰ্ম, উপাসনা পদ্ধতি আদি বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা হয়। ভাৰতীয় সংস্কৃতিত ধৰ্মক বহল অৰ্থত ব্যৱহাৰ কৰা হয়। ধৰ্ম ভাৰতীয় সংস্কৃতিৰ প্ৰাণস্বৰূপ। জাগতিক সমৃদ্ধি, আধ্যাত্মিক উৎকৰ্ষৰ বাবে ধৰ্ম অৱশ্য পালনীয় কৰ্তব্য।

সমাজত প্ৰত্যেক ব্যক্তিৰে স্ব-ধৰ্ম আছে। ইন্দ্ৰিয়সমূহক সংযম কৰি নিজ নিজ কৰ্ম কৰাই মানৱৰ ধৰ্ম। গীতাত উল্লেখ কৰা মতে স্ব-ধৰ্মৰ অৰ্থ হ'ল নিজৰ কৰ্ম বা কৰ্তব্য। ভাৰতীয় নীতিশাস্ত্ৰ মতে স্ব-ধৰ্ম পালন নকৰি আনৰ ধৰ্ম গ্ৰহণ কৰাটো অপৰাধ। সমাজৰ সংহতি আৰু কল্যাণৰ বাবে ভাৰতীয় সংস্কৃতি আৰু নীতিশাস্ত্ৰই পুৰুষাৰ্থ হিচাপে ধৰ্মক অধিক গুৰুত্ব আছে। তদুপৰি, ধৰ্মই আধ্যাত্মিক পূৰ্ণতা আনে, সামাজিক আচাৰ-ব্যৱস্থাৰ প্ৰতি সচেতনা আনে, কৰ্তব্যবোধ জগায়, ব্যক্তিক অপচিন্তা, অপকৰ্মৰ পৰা দূৰত ৰাখে। গতিকে ধৰ্মৰ প্ৰভাৱ মানৱ জীৱনত সকলোতকৈ ব্যাপক।

## • অৰ্থ (Artha)

ভাৰতীয় সংস্কৃতিত অৰ্থক পুৰুষাৰ্থ হিচাপে দ্বিতীয় স্থান দিয়া হৈছে। মানুহৰ প্ৰাথমিক প্ৰয়োজন অৰ্থৰদ্বাৰাহে পূৰণ কৰা সম্ভৱ; অৰ্থাৎ অন্ন, বস্ত্ৰ আৰু আশ্ৰয়ৰ বাবে অৰ্থৰ প্ৰয়োজন। অৰ্থক আন পুৰুষাৰ্থৰ সাধন হিচাপেহে ব্যৱহাৰ কৰিব লাগে। নিজৰ আৰু পৰিয়ালৰ প্ৰয়োজন পূৰণৰ উপৰি গৃহস্থাশ্ৰমৰ দায়িত্ব আৰু কৰ্তব্য সুকলমে পৰিচালিত কৰিবলৈ অৰ্থৰ প্ৰয়োজন। অৰ্থৰ আয় আৰু ব্যয়ৰ ক্ষেত্ৰত সংযমী হোৱাৰ বাবে ভাৰতীয় নীতিশাস্ত্ৰত প্ৰথমে ধৰ্মৰ শিক্ষা দিয়ে, যাতে ইয়াৰ অপপ্ৰয়োগ নহয়। অৰ্থক ধৰ্ম আৰু কামৰ সাধন হিচাপেহে গুৰুত্ব দিয়া হয়। কেৱল দৈহিক সুখ বা ভোগ-

বিলাসৰ বাবে অৰ্থ নহয়, ইয়াৰ মূল উদ্দেশ্য হৈছে পুৰুষাৰ্থ সিদ্ধিৰ পথ সুগম কৰি তোলা।

- **কাম (Kama)**

ভাৰতীয় নীতিশাস্ত্ৰত কামক পুৰুষাৰ্থ হিচাপে স্বীকৃতি দিয়া হৈছে। বহল অৰ্থত কাম হৈছে এটা জৈৱিক প্ৰবৃত্তি যাৰ সহায়ত জীৱৰ অস্তিত্ব অব্যাহত থাকে। কাম শব্দৰ পৰিভাষিক অৰ্থ হৈছে ইচ্ছা, যি সকলো ক্ৰিয়াৰ প্ৰেৰক শক্তি। এই কাম তিনি প্ৰকাৰৰ হ'ব পাৰে, যেনে— সাত্বিক, ৰাজসিক আৰু তামসিক। যিবোৰ কাম ধৰ্মানুগত তাক সাত্বিক কাম বোলে। বিষয়-বাসনা, ভোগ-বিলাস, ইন্দ্ৰিয় সম্ভোগৰ বাবে উৎপন্ন হোৱা কাম ৰাজসিক কাম। নিদ্ৰা, আলস্য আদি উৎপন্ন কৰা ইচ্ছাই তামসিক কাম।

কাম মানৱ জীৱনৰ সুখ আৰু আনন্দৰ উৎস। বংশ ৰক্ষা, সমাজ ৰক্ষা আৰু সামাজিক বিকাশৰ গুৰিতে হ'ল কাম। কিন্তু কাম হ'ব লাগিব নিয়ন্ত্ৰিত, সংযমিত আৰু ধৰ্মৰ অনুৱৰ্তী। ধৰ্মৰ বিৰোধী কাম সকলোৰে বাবে অনিষ্টকাৰী আৰু অকল্যাণকাৰী। মাৰ্জিত, সংযমিত কামহে মানৱৰ পুৰুষাৰ্থ। কাম সাধনহে, সাধ্য নহয়।

- **মোক্ষ (Moksa)**

ভাৰতীয় দৰ্শন মতে মোক্ষই পৰম পুৰুষাৰ্থ আৰু মোক্ষ লাভেই মানৱ জীৱনৰ চৰম লক্ষ্য। জন্ম-মৃত্যু সংসাৰ চক্ৰৰপৰা হাত সাৰিব পৰাটোকেই মোক্ষ বা নিৰ্বাণ বোলে। মোক্ষৰ স্বৰূপ সম্পৰ্কে মতভেদ থাকিলেও ই সুখ-দুখৰহিত পৰম আনন্দময় শান্তিৰ অৱস্থা বুলি প্ৰায়বোৰ দৰ্শনেই মত প্ৰকাশ কৰে। কোনো কোনোৰ মতে অবিদ্যা বা অজ্ঞানতা (ignorance) দূৰ কৰি শুদ্ধ চৈতন্য আত্মাৰ উপলব্ধিয়েই মুক্তি।

মোক্ষ সম্পৰ্কে ঘাইকৈ দুটা মত পোৱা যায়, যেনে— বিদেহ মুক্তি আৰু জীৱন মুক্তি। কিছুমান দাৰ্শনিকৰ মতে জীৱৰ মৌলিক সত্তা আত্মাই স্বৰূপ উপলব্ধি কৰিলেই নহ'ব, ই দেহৰ সম্পৰ্কও ত্যাগ কৰিব লাগিব। ন্যায় বৈশেষিক আৰু মীমাংসা দৰ্শনে এনে মত পোষণ কৰে। ইয়াক বিদেহ মুক্তি বোলে। আনহাতে জৈন, বৌদ্ধ, সাংখ্য আৰু অদ্বৈতবেদান্তৰ মতে দেহ ধাৰণ কৰিও মোক্ষ লাভ কৰিব পাৰি। মুক্তিৰ বাবে দেহ ত্যাগ আৰু সংসাৰ ত্যাগৰ প্ৰয়োজন নাই। মোক্ষৰ প্ৰকৃত অৰ্থ হৈছে আত্মাৰ স্বৰূপ উপলব্ধি কৰা, তাকে জীৱন মুক্তি বোলে।

বৌদ্ধই মোক্ষক নিৰ্বাণ বুলি কৈছে। তেওঁ নিৰ্বাণ লাভ কৰাৰ পিছতো বহু বছৰ লোকহিতৰ বাবে কাম কৰিছিল।

শংকৰাচাৰ্য্যৰ মতেও মুক্তিত আত্মাই স্বৰূপত অধিষ্ঠিত হয়। এই অৱস্থাত জীৱই তেওঁ আৰু ব্ৰহ্ম এক আৰু অভিন্ন বুলি উপলব্ধি কৰে। এই মুক্তিৰ অৱস্থা সৎ, চিৎ আৰু আনন্দৰ অৱস্থা।

**মোক্ষ লাভৰ তিনিটা পথ বা মাৰ্গ (Three Paths to attain liberation)**

ভাৰতীয় দৰ্শনত মোক্ষ লাভৰ তিনিটা মাৰ্গৰ উল্লেখ আছে। যেনে— কৰ্মযোগ (Karmayoga), জ্ঞানযোগ (Jñānayoga) আৰু ভক্তিযোগ (Bhaktiyoga)।

## • কৰ্মযোগ বা কৰ্মমাৰ্গ ঃ

মানুহৰ জীৱন কৰ্মময়। কৰ্মহীন হৈ মানুহ থাকিব নোৱাৰে। গীতাৰ মতে নিষ্কাম কৰ্মই প্ৰকৃত কৰ্ম সাধনা। কৰ্মফলত আসক্তি নাৰাখি স্বাৰ্থশূন্য হৈ সৎ কৰ্ম বা কৰ্তব্য কৰাই নিষ্কাম কৰ্ম। নিষ্কাম কৰ্মৰ মাধ্যমেৰে আত্মশুদ্ধি হয় আৰু আত্ম উপলব্ধি হয়। ইয়াকে মোক্ষ বোলে।

## • ভক্তিযোগ বা ভক্তিমাৰ্গ

মোক্ষ লাভৰ আন এটা পথ হ'ল ভক্তিমাৰ্গ। এই পথ অনুসৰণ কৰিবলৈ হ'লে ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধা, সেৱা আৰু সম্পৰ্কৰ প্ৰয়োজন। ঈশ্বৰৰ ওপৰত অবিচলিত বিশ্বাসৰ জৰিয়তে মোক্ষ সাধন সম্ভৱ।

## • জ্ঞানযোগ বা জ্ঞানমাৰ্গ

এই মাৰ্গ কৰ্ম আৰু ভক্তিৰ বিৰোধী নহয়— এই দুইৰ পৰিণতি। পৰম সত্তাৰ সাক্ষাৎ দৰ্শনেই জ্ঞানমাৰ্গ। এই পথেৰে অগ্ৰসৰ হৈ সাধকে জীৱাত্মা, পৰমাত্মা, জগত সম্পৰ্কে জ্ঞান লাভ কৰি মুক্তি পাব পাৰে।

হিন্দু নীতিশাস্ত্ৰত পুৰুষাৰ্থ ত্ৰিবৰ্গহে— ধৰ্ম, অৰ্থ, কাম। মোক্ষক পৰমাৰ্থ বুলিহে গণ্য কৰা হয়। ত্ৰিবৰ্গ (ধৰ্ম, অৰ্থ, কাম) হ'ল সাধন আৰু মোক্ষ হ'ল সাধ্য। এই চাৰি পুৰুষাৰ্থৰ জৰিয়তেই মানৱে জীৱনৰ আধ্যাত্মিক পূৰ্ণতা আৰু সাৰ্থকতা লাভ কৰিব পাৰে।

## পাঠৰ মূলকথা

- মানৱ জীৱনৰ সৰ্বোচ্চ লক্ষ্যক পুৰুষাৰ্থ বোলে। পুৰুষ বা ব্যক্তিয়ে যি কামনা কৰে, সিয়ে পুৰুষাৰ্থ।
- পুৰুষাৰ্থ চাৰিবিধ— ধৰ্ম, অৰ্থ, কাম, মোক্ষ।
- ধৰ্মই আটাইবোৰ নৈতিক সদ্ গুণক বুজায়। আধ্যাত্মিক উৎকৰ্ষৰ বাবে ধৰ্ম অৱশ্য পালনীয় কৰ্তব্য।
- মানুহৰ জীৱনৰ প্ৰাথমিক প্ৰয়োজন অৰ্থৰদ্বাৰাহে পূৰণ কৰা সম্ভৱ। ইয়াক ধৰ্ম আৰু কামৰ সাধন হিচাপেহে গণ্য কৰা হয়।
- কাম মানৱ জীৱনৰ সুখ আৰু আনন্দৰ উৎস। কাম ধৰ্মৰ অনুবৰ্তী হোৱা উচিত।
- মোক্ষ মানৱ জীৱনৰ চৰম আদৰ্শ বা লক্ষ্য। পৰিপূৰ্ণ আত্মজ্ঞান লাভ কৰিলেই জীৱৰ মোক্ষ প্ৰাপ্তি হয়।

## অনুশীলনী

১। উত্তৰ দিয়া

(ক) পুৰুষাৰ্থ বুলিলে কি বুজা?

(খ) চাৰি পুৰুষাৰ্থ কি কি?

(গ) পুৰুষাৰ্থ হিচাপে কাম আৰু অৰ্থৰ অৰ্থ ব্যাখ্যা কৰা।

২। মোক্ষ কাক বোলে?

৩। মোক্ষ প্ৰাপ্তিৰ বিভিন্ন মাৰ্গসমূহ কি কি?

৪। ধৰ্মৰ ধাৰণা ব্যাখ্যা কৰা।

৫। পুৰুষাৰ্থ ধাৰণাৰ সামাজিক গুৰুত্ব কি? যুক্তিৰে উত্তৰ দিয়া।